# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 2-07-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
**::::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যৰ বান পৰিস্থিতি অপৰিৱৰ্তিত। ১৯খন জিলাৰ এহেজাৰ ২৭৫ খন গাঁও জলমগ্ন।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাত বান পৰিস্থিতিৰ বুজ ল'ব।

৩। শিক্ষা সেতু এপৰ গুণগত মান পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰৰ তিনিজনীয়া বিশেষজ্ঞ কমিটি গঠন।

*আৰু*

৪। ভাৰতৰ অহা ৬ৰ পৰা ১৪ জুলাইলৈকে জিম্বাবুৱেৰ বিৰুদ্ধে পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাত অংশগ্ৰহণ।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি শোচনীয় হৈ পৰিছে। প্ৰলয়ংকৰী বানত ৰাজ্যৰ ১৯খন জিলাৰ এহেজাৰ ২৭৫ খন গাঁও জলমগ্ন হৈছে। উজনি-নামনি অসমৰ লগতে বৰাক উপত্যকাৰ কেইবাখনো নদী বিপদসীমাৰ ওপৰেৰে বৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীৰ তথ্য অনুসৰি ৰাজ্যৰ বিভিন্ন স্থানত ব্ৰহ্মপুত্ৰৰ লগতে ইয়াৰ উপনৈসমূহৰ পানী ফেনে-ফোটোকাৰে বাঢ়ি আছে। বৰ্তমানলৈকে ৰাজ্যত ১৩৬ টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে আৰু ইয়াত ৮ হাজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰিছে। বিভিন্ন ঠাইত বাঢ়নী পানীয়ে কেইবাটাও পথ খহাই নিয়াৰ লগতে বিভিন্ন ঠাইত পথৰ ওপৰেৰে পানী বাগৰাত যাতায়াত ব্যাহত হৈ পৰিছে। গোলাঘাট, নলবাৰী, শোণিতপুৰকে ধৰি কেইবাখনো জিলাত পানীয়ে মথাউৰি খহাই নিছে। বতৰ বিজ্ঞান কেন্দ্ৰই অহা তিনিদিনলৈকে বৰষুণ অব্যাহত থকাৰ আগজাননী দিয়াৰ পৰিপ্ৰেক্ষিতত কেইবাখনো জিলাত সতৰ্কতামূলক জাননী জাৰি কৰা হৈছে।

গোলাঘাট জিলাৰ বোকাখাত ৰাজহচক্ৰৰ ৩১ খন গাঁও প্লাবিত হৈছে। বোকাখাতত বানে সংহাৰী ৰূপ লৈছে। বংকোৱালত কালি বংকোৱাল-নেঘেৰিটিং মথাউৰিৰ একাংশ পানীয়ে খহাই নিয়াত বৃহৎ অঞ্চলজুৰি হাহাকাৰ পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ মাজতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি মহুৰামুখ-বংকোৱালত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। গোলাঘাট জিলাত ব্ৰহ্মপুত্ৰৰ লগতে ইয়াৰ উপনৈ ধনশিৰি, গেলাবিল নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ আছে। জিলাখনৰ দেৰগাঁৱতো নৈৰ কাষৰীয়া বিস্তীৰ্ণ অঞ্চলত বানে ভয়াৱহ ৰূপ লৈছে। দেৰগাঁৱৰ গড়মৰাৰ চকীয়ালত কালি নাৱেৰে ঘৰলৈ গৈ থকা অৱস্থাত ব্ৰহ্মপুত্ৰত এজন যুৱক সন্ধানহীন হয়। কাজিৰঙা গাঁও পঞ্চায়তৰ অন্তৰ্গত তামুলি পথাৰত মথাউৰিৰ ওপৰেৰে পানী বাগৰাত প্ৰশাসনে গাঁওবাসীক সতৰ্ক কৰি দিছে। জলসম্পদ বিভাগে মথাউৰিটোত থকা তিনিখন শ্লুইছ গেট মুকলি কৰি দিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি কালিৰেপৰা কাৰ্যকৰী হোৱাকৈ নিশা ৰাষ্ট্ৰীয় উদ্যানখনৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ব্যৱসায়িক গধুৰ যানবাহন আৰু ব্যক্তিগত যানবাহন

চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালকৰ লগতে গোলাঘাট জিলা আয়ুক্তই এই নিষেধাজ্ঞা জাৰি কৰিছে।

তিনিচুকীয়া জিলাত ৯০ খনৰো অধিক গাঁও বানৰ কবলত পৰিছে। জিলাখনত প্ৰশাসনে ১১ টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে। বানপীড়িতসকলক উদ্ধাৰৰ বাবে এছ ডি আৰ এফ আৰু সেনাবাহিনীয়ে অভিযান চলাই আছে। জিলাখনৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত গাভৰুভেঁটিত কালি ডুমডুমা নৈৰ দলং পাৰ হ'বলৈ লওঁতে ফিল'বাৰীৰ এজন লোকক পানীয়ে উটুৱাই নিয়ে। এছ ডি আৰ এফে পাছত তেওঁৰ মৃতদেহ উদ্ধাৰ কৰে। বাৰেকৰী আৰক্ষী থানা, গুইজান আৰক্ষী চকী, গুইজান বজাৰ, ৰঙাগড়া, নতুন গাঁও, নলনী বাগিচাৰ উপৰি ডিব্ৰু-চৌখোৱা ৰাষ্ট্ৰীয় উদ্যানো বানৰ কবলত পৰিছে।

নেৰানেপেৰা বৰষুণৰ ফলত ডিব্ৰুগড় নগৰত কৃত্ৰিম বানৰ ফলত পৰিস্থিতি শোচনীয় হৈ পৰিছে। ডিব্ৰুগড় পৌৰ নিগমৰ ২২ টা ৱাৰ্ডৰ বহু পৰিয়াল বৰষুণৰ পানীত আৱদ্ধ হৈ পৰিছে। জিলাখনৰ আয়ুক্তই সকলো বিদ্যালয় বন্ধ ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। ইপিনে, হাতীয়াআলি চৰাঞ্চলৰ পৰা আৱদ্ধ হৈ থকা ১৩ জন লোকক বায়ুসেনাই উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰিছে। লোককেইজন বৰ্তমানে নিৰাপদে আছে।

ৰাজ্যৰ বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লখিমপুৰত হ'বলগীয়া জিলা আয়ুক্তৰ সন্মিলন স্থগিত ৰখা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লখিমপুৰ জিলা ভ্ৰমণৰ কাৰ্যসূচীও অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে। ধাৰাসাৰ বৰষুণৰ মাজতে কালি গেৰুকামুখ প্ৰকল্পত থকা ৯ খন গেটৰ আটাইকেইখনেই খুলি দিয়া হয়। আনহাতে, ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পানীও এৰি দিয়া হৈছে। ফলত জিলাখনৰ বান পৰিস্থিতিৰ অধিক অৱনতি হোৱাৰ আশংকাই দেখা দিছে। নাওবৈচাত কালি শিঙৰা নৈত ডুবি এজন যুৱকৰ মৃত্যু হয়। শোণিতপুৰ জিলাৰ তেজপুৰ, বৰছলা আদিত বান পৰিস্থিতি জটিল হৈ পৰিছে। ৰাজ্যৰ কেইবাটাও পথ বাঢ়নি পানীয়ে ছিঙি পেলোৱাত যাতায়াত বিঘ্নিত হৈছে। জামুগুৰিহাটত জিয়া ভৰলীৰ পানীয়ে বহু পৰিয়ালৰ ঘৰ-দুৱাৰ প্লাৱিত কৰিছে। জিলাখনৰ বালিপৰাত জৰাসৰ নৈৰ পানীয়ে একাধিক স্থানত মথাউৰি চিঙিছে। জৰাসৰ আৰু মানশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি হোৱাৰ ফলত অঞ্চলটোৰ কেইবাখনো গাঁও নতুনকৈ প্লাৱিত হৈছে।

যোৰহাট জিলাৰ টীয়ক আৰু পূব-যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত জাজীমুখতো বানে জটিল ৰূপ ধাৰণ কৰিছে। বাঢ়নী পানীয়ে ইতিমধ্যে দুয়োটা ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ২৫খন গাওঁ বুৰাই পেলোৱাৰ লগতে বহু হেক্টৰ কৃষিভূমি প্লাবিত কৰিছে।

মাজুলীতো ৮৩ খন গাঁৱৰ ৬৫ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। জিলা প্ৰশাসনে ইতিমধ্যে নিমাতীঘাট-মাজুলী সংযোগী ফেৰী সেৱা বন্ধ কৰিছে। ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি থকাত নদীদ্বীপটোৰ অন্তৰ্ভাগলৈ পানী সোমোৱাৰ আশংকাই দেখা দিছে। বানে আউনীআটি-গুৱালগাঁও মথাউৰি ছিঙি পেলোৱাত প্ৰায় ডেৰশ মিটাৰ পথ খহাই নিয়ে। আউনীআটি সত্ৰও এই বানত প্লাৱিত হৈছে।

শিৱসাগৰ জিলাৰ দিচাংমুখৰ আলিচিগাঁও, অফলা, তিয়বস্তুতি আদিকে ধৰি এশৰো অধিক গাঁও সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰিছে। সৰাগুৰি চাপৰিৰ আজানপীৰ দৰগাহ বানৰ কবলত পৰিছে। জিলাখনত ব্ৰহ্মপুত্ৰৰ লগতে দিহিং, দিচাং, দিখৌ, ডৰিকা, ডিমৌ আদি নৈৰ জলপৃষ্ঠ বৃদ্ধি হৈ আছে।

আনহাতে, বাক্সা আৰু বৰপেটা জিলাত বেঁকী নদীৰ খহনীয়াই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। কলগাছিয়া ৰাজহচক্ৰৰ অধীনৰ বলাই পথাৰ গাঁৱৰ কেইবা বিঘা কৃষিভূমি নদীৰ বুকুত জাহ গৈছে। নোৱা নদীৰ বানে পথ বুৰাই পেলোৱাত মঙলদৈ, ভূটিয়াচাং, কলাইগাঁও, ৰঙামাটিত যাতায়াত বন্ধ হৈ পৰিছে। ইপিনে, ধাৰাসাৰ

বৰষুণ আৰু নদীসমূহৰ জলপৃষ্ঠ বৃদ্ধি হৈ থকাৰ মাজতে ভূটানে কুৰিশু বান্ধৰ পানী এৰি দিবলৈ লোৱাত বৰপেটা জিলাত বান পৰিস্থিতিয়ে জটিল ৰূপ লোৱাৰ আশংকা ঘণীভূত হৈছে।

মানস ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ চুনবাৰী, এলেঙামাৰি আদি অঞ্চলত খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। অঞ্চলটোত জলসম্পদ বিভাগে যোৱা বছৰ জিঅ' বেগৰ বান্ধ নিৰ্মাণ কৰিছিল যদিও খহনীয়া নিয়ন্ত্ৰণ ৰোধ কৰিব পৰা হোৱা নাই।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাত বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে আন আন মন্ত্ৰী-বিধায়কসকলে বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বান পৰিস্থিতিৰ বুজ ল'বলৈ আজি গোলাঘাটলৈ যাব। জিলা তথ্য আৰু জনসংযোগ বিভাগে প্ৰকাশ কৰা অনুসৰি মুখ্যমন্ত্ৰীগৰাকীয়ে মহুৰামুখৰ বংকোৱাল মথাউৰি আৰু কমাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা সাহায্য শিবিৰ পৰিদৰ্শন কৰিব।

ৰাজ্যৰ বান পৰিস্থিতিৰ অৱনতি হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজন সাপেক্ষে সেনা বাহিনীৰ সহায় লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মন্ত্ৰী-বিধায়কসকলক নিজৰ নিজৰ জিলা আৰু সমষ্টিত পৰিস্থিতি তদাৰক কৰাৰ নিৰ্দেশ দিছে।

ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ফোনযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা বান পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীক ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সাহায্যৰ ব্যৱস্থা তথা উদ্ধাৰ অভিযানৰ বিষয়ে অৱগত কৰায়।

ডিব্ৰুগড়, তিনিচুকীয়া আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বান পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সৈতে ফোন যোগে আলোচনা কৰে।

০০০০০০০

ৰাজ্যৰ আন প্ৰান্তৰ লগতে গুৱাহাটীতো ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ ফলত আভ্যন্তৰীণ জল পৰিবহন বিভাগে কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা বন্ধ ঘোষণা কৰিছে। ফেৰী ঘাটৰ ৰেমসমূহ মেৰামটি নকৰা পৰ্যন্ত তথা জলপৃষ্ঠ আৰু অধিক বৃদ্ধি পাই থাকিলে পুনৰ নিৰ্দেশ নিদিয়া পৰ্যন্ত এই ফেৰী সেৱা বন্ধ থাকিব।

০০০০০০০

দেশজুৰি কালিৰে পৰা তিনিখন নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম বলবৎ হৈছে। কেন্দ্ৰীয় চৰকাৰে এই পৰিপ্ৰেক্ষিতত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে নিয়মীয়াকৈ বৈঠক অনুষ্ঠিত কৰিছে আৰু সকলোৰে এই নতুন ফৌজদাৰী আইন কেইখন ৰূপায়ন কৰাৰ ক্ষেত্ৰত প্ৰযুক্তি, দক্ষতা নিৰ্মাণ তথা সজাগতা বৃদ্ধি কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈছে। নতুন আইন কেইখন ৰূপায়ন কৰাৰ বাবে আৰক্ষী আৰু অনুসন্ধান প্ৰাধিকৰণক সকলো ধৰণৰ প্ৰশিক্ষণ দিয়া হৈছে। ইয়াৰ লগত সংগতি ৰাখি কালি কৰিমগঞ্জ জিলাৰ বদৰপুৰ আৰক্ষীৰ উদ্যোগত সাধাৰণ জনতাক আইনকেইখনৰ বিষয়ে সজাগ আৰু অৱগত কৰাৰ উদ্দেশ্যে এটা সজাগতা শিবিৰ অনুষ্ঠিত হয়। আনহাতে কাজলগাঁও থানাৰ চৌহদতো কালি এখন সজাগতা সভাৰ জৰিয়তে চিৰাং জিলাৰ

আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষকে কেইবাগৰাকী বিশিষ্ট লোকৰ উপস্থিতিত এই আইন কেইখনৰ বিষয়ে ৰাইজক সজাগ কৰে।

০০০০০০০

ভাৰতীয় সৈন্য বাহিনীৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাৰ অধ্যক্ষতাত ৰাজ্য চৰকাৰে সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগ গঠন কৰিছে। বিত্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবৰ লগতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া দেৱেশ্বৰ মালাকাৰ সদস্য হিচাপে থকা এই সমিতিখনত অধ্যাপক মৃণালকান্তি দত্তই বিশেষজ্ঞ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিব। বিত্ত বিভাগৰ বিশেষ সচিবগৰাকী এই সমিতিখনৰ সদস্য সচিব হ'ব। এই আয়োগে ৰাজ্যৰ লগতে পঞ্চায়ত তথা পৌৰ নিকায়সমূহৰ মাজত আৰোপিত আৰু সংগৃহীত কৰ তথা শুল্কৰ বিতৰণ নীতি, আৰ্থিক অৱস্থা উন্নীতকৰণৰ দিশত ল'বলগীয়া ব্যৱস্থাৰ লগতে টনকিয়াল কৰাৰ অৰ্থে ৰাজ্য চৰকাৰে প্ৰদান কৰা মতামত আদিকে ধৰি বিষয়বোৰৰ ভিত্তিত পৰামৰ্শ দাঙি ধৰিব। সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগে ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা পৰৱৰ্তী পাঁচ বছৰৰ সময়সীমা সামৰি চলিত বৰ্ষৰ ১৬ ডিচেম্বৰৰ ভিতৰত এই প্ৰতিবেদন দাখিল কৰিব।

০০০০০০০

ৰাজ্যৰ বিদ্যালয়, শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ তথ্য সম্বলিত **শিক্ষা সেতু এপৰ** গুণগত মান পৰীক্ষা কৰিবলৈ চৰকাৰে কালি তিনিজনীয়া বিশেষজ্ঞ সমিতি এখন গঠন কৰিছে। গুৱাহাটী আই আই টিৰ ডীন অধ্যাপক পৰমেশ্বৰ আয়াৰ, গুৱাহাটী ইণ্ডিয়ান ইনষ্টিটিউট অব ইনফৰ্মেছন টেকন'ল'জীৰ সঞ্চালক অধ্যাপক শৰৎ কুমাৰ পাত্ৰ আৰু কটন বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান আৰু তথ্য প্ৰযুক্তি বিভাগৰ মুৰব্বী ড০ হিতেন চৌধুৰীক লৈ এই কমিটিখন গঠন কৰা হৈছে। ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলখনত উল্লেখ কৰে যে, এই বিশেষজ্ঞ কমিটিয়ে শিক্ষা সেতু এপৰ গুণগত মানৰ পৰীক্ষা চলাব আৰু ১ ছেপ্তেম্বৰত তেওঁলোকৰ প্ৰতিবেদন ৰাজহুৱাকৈ প্ৰকাশ কৰিব। শিক্ষা সেতু এপত কাৰিকৰী বিসংগতি থকা বুলি অভিযোগ কৰা শিক্ষকসকলেও এই সম্পৰ্কত বিশেষজ্ঞ কমিটিক অহা ৩১ জুলাইৰ ভিতৰত লিখিত ভাবে জনাব পাৰিব আৰু কমিটিয়ে সেয়া পৰীক্ষা কৰিব। যদি এপটোত কোনো কাৰিকৰী বিসংগতি থাকে সেয়া চৰকাৰে সংশোধনৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ ফলত বিগত এটা বছৰ ধৰি চলি থকা তিক্ততাৰো অন্ত পৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি আই টি এ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আকাশবাণীৰ উত্তৰ-পূবৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰে। ভাষণ প্ৰসংগত শ্ৰীভাটনাগৰে কয় যে আকাশবাণী সদায় জনগণৰ কণ্ঠ হৈ আছে আৰু পূৰ্বৰ দৰেই আকাশবাণীয়ে নিজৰ গৰিমা অক্ষুণ্ণ ৰাখিছে। উদ্বোধনী অনুষ্ঠানৰ পাছতেই আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ উদ্যোগত GROWTH SAGA OF NORTH-EAST শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা অসম আৰক্ষীৰ গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান প্ৰদীপ কুমাৰ, নেডফিৰ সঞ্চালক এছ কে বৰুৱা, গুৱাহাটী এইমছৰ কাৰ্যবাহী সঞ্চালক ডাঃ অশোক পুৰাণিক আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰিবেশ আৰু বহনক্ষম শাখাৰ মুৰব্বী সিদ্ধাৰ্থ ফুকনে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোৰ সঞ্চালনা কৰে পি আই বি গুৱাহাটীৰ অতিৰিক্ত

সঞ্চালকপ্ৰধান জেন নেমছুয়ে।  এই অনুষ্ঠানত বিগত কেইটামান বছৰত উত্তৰ-পূবৰ চিকিৎসা, নিৰাপত্তা, অসামৰিক বিমান পৰিবহণকে ধৰি বিভিন্ন খণ্ডৰ বিকাশৰ পৰ্যালোচনা কৰা হয়। আলোচনাচক্ৰৰ পাছতে আঞ্চলিক বাতৰি বিভাগৰ স্মৰণিকা **আকাশী বাৰ্তা** উন্মোচন কৰে পি আই বি গুৱাহাটীৰ সঞ্চালক প্ৰধান কে সতীশ নাম্বুদিৰি পাড়ে। ইয়াৰ পাছতে বাতৰি বিভাগৰ ন-পুৰণি সদস্যসকলৰ অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বাতৰি বিভাগৰ কেইবাগৰাকীও প্ৰাক্তন সদস্যই মত বিনিময় কৰে। শেষত **সুৰৰ শৰাই** শীৰ্ষক সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত বিষয়া জে পি দাসে উদ্বোধন কৰে। অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কেইবাগৰাকীও অৱসৰপ্ৰাপ্ত বিষয়া উপস্থিত থাকে। সংগীতানুষ্ঠানত বিদ্যুৎ কুমাৰ মিশ্ৰই বেহেলা বাদন আৰু মিৰাণ্ডা চৌধুৰী, পুলক বেনাৰ্জী, ডলী ঘোষ সাধ্যই গীত পৰিবেশন কৰে।

0000000

ভাৰতৰ পুৰুষ ক্ৰিকেট দলটো অহা ৬ৰ পৰা ১৪ জুলাইলৈ জিম্বাবুৱেৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। শৃংখলাৰ আটাইকেইখন খেল হাৰাৰে স্পৰ্টছ ক্লাব খেলপথাৰত অনুষ্ঠিত হ'ব। ঘৰুৱা দলটোৱেও শৃংখলাৰ বাবে ১৭ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। জ্যেষ্ঠ খেলুৱৈ তথা বেটছমেন ছিকন্দৰ ৰাজাক যুৱ দলটোৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

ভাৰতে ইতিমধ্যে শৃংখলাত অংশগ্ৰহণ কৰিবলগীয়া ১৫ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। শুভমন গিলে ধ্ৰুৱ জুৰেল, ৰিয়ান পৰাগ, ৱাশ্বিংটন সুন্দৰ, ৰবি বিষ্ণইৰ দৰে খেলুৱৈৰে সমৃদ্ধ ভাৰতীয় দলৰ অধিনায়কৰ দায়িত্ব বহন কৰিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইৰ সচিব জয় শ্বাহে কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি আসন্ন শৃংখলাটোৰ বাবে ভি ভি এছ লক্ষ্মণ ভাৰতীয় দলৰ সৈতে প্ৰশিক্ষক হিচাপে জিম্বাবুৱেত থাকিব যদিও নতুন প্ৰশিক্ষকে শ্ৰীলংকাৰ বিৰুদ্ধে হ'বলগীয়া শৃংখলাৰ পৰাহে ভাৰতীয় দলত যোগ দিব। তেওঁ লগতে কয় যে, অতি সোনকালে ভাৰতীয় দলৰ প্ৰশিক্ষক আৰু নিৰ্বাচকক নিযুক্তি দিয়া হ'ব।

0000000

## Newspaper Review (2-7-2024 Morn.)

দেশত ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় সাক্ষ্য অধীনিয়ম আৰু ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা—শীৰ্ষক তিনিখন নতুন ফৌজদাৰী আই বলৰৎ কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিনৰ শিৰোনাম **৭৭ বছৰীয়া ঔপনিৱেশিক বিধিৰ পৰিল যৱনিকা ঃ দেশত বলৰৎ তিনি নতুন ফৌজদাৰী আইন**।

ৰাজ্যৰ বান পৰিস্থিতি শোচনীয় হৈ পৰিছে। অৰুণাচল প্ৰদেশ আৰু উজনী অসমত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ লগতে ইয়াৰ উপনৈসমূহ বাঢ়ি অহাৰ বাতৰিটো দি আছাম ট্ৰিবিউন, দৈনিক জনমভূমি, দ্যা ছেণ্টিনেল, দৈনিক অগ্ৰদূত, আমাৰ অসম আদি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউনৰ শিৰোনাম State Flood situation turns critical।

শিক্ষা সেতু এপৰ গুণগত মান পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে এখন তিনিজনীয়া বিশেষজ্ঞ কমিটি গঠন কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **শিক্ষা সেতুৰ গুণগত মান পৰীক্ষা কৰিবলৈ তিনিজনীয়া বিশেষজ্ঞ কমিটি গঠন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসম তথা উত্তৰ পূৰ্বাঞ্চলত তিনি হাজাৰ ৩০৮ কোটি টকাৰ মুঠ ৫৬৬ টা উন্নয়নমুখী প্ৰকল্পৰ কাম অব্যাহত থকাৰ বাতৰিটো দ্যা ছেণ্টিনেল কাকতে **NEC project worth Rs. 3308 cr ongoing Assam, NE region** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ভাৰতীয় সংবিধানত থকা ব্যৱস্থাৱলীৰ আধাৰত অসম চৰকাৰে ভাৰতীয় সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাৰ অধ্যক্ষতাত সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগ গঠন কৰা বাতৰিটোক আমাৰ অসম, দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসমৰ শিৰোনাম **সপ্তম বিত্ত আয়োগ গঠন অসম চৰকাৰৰ**।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – সমৰ্থ এপেৰে বিনামূলীয়া নামভৰ্তি ৭৮ শতাংশ শিক্ষাৰ্থীৰ, উৎকোচ লৈ গুৱাহাটীত এজেণ্ট সহ গ্ৰেপ্তাৰ ৰাজহ সেৱাৰ বিষয়া, ন্যায় সংহিতা-নগাঁও সদৰত ৰুজু অসমৰ প্ৰথমটো গোচৰ, ৰাজ্যৰ কৃষিখণ্ডৰ বিকাশত সহায়ৰ আহ্বান শিৱৰাজ সিং চৌহানৰ, কেন্দ্ৰীয় সাৰ মন্ত্ৰী জে পি নাড্ডাৰ আশ্বাস ঃ নামৰূপৰ নেন ইউৰিয়া প্ৰকল্পত বিনিয়োগ কৰিব ৫০০ কোটি টকা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**